# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 15-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। পশ্চিমবংগৰ মুৰ্ছিদাবাদত ৱক্‌ফ সংশোধনী আইনৰ বিৰুদ্ধে হোৱা প্ৰতিবাদৰ সময়ত সংঘটিত হোৱা ঘটনা সন্দৰ্ভত আদালতৰ তত্ত্বাৱধানত এটা বিশেষ তদন্তকাৰী দল গঠন কৰি দিবলৈ উচ্চতম ন্যায়ালয়ক আবেদন দাখিল কৰা হৈছে।

২। অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ দ্বিতীয় দিনটো আজি মানুহ বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি পালন কৰা হৈছে।

৩। লক্ষ্ণৌৰ লোকবন্ধু হাস্পতালত কালি নিশা এটা বিধবংসী অগ্নিকাণ্ডৰ ফলত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ জনপ্ৰিয় গায়িকা কেটি পেৰিকে ধৰি ছজনীয়া মহিলাৰ দল এটা কঢ়িয়াই নিয়া নিউ শ্বেপাৰ্ড-থাৰ্টি-ওৱান নামৰ যানখনে সফলতাৰে উৰণ সম্পন্ন কৰে। *আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৫ উইকেটত পৰাস্ত কৰিছে।

০০০০০

পশ্চিমবংগৰ মুৰ্ছিদাবাদ জিলাত ৱক্‌ফ সংশোধনী আইনৰ বিৰুদ্ধে হোৱা প্ৰতিবাদৰ সময়ত সংঘটিত হোৱা ঘটনা সন্দৰ্ভত আদালতৰ তত্ত্বাৱধানত এটা বিশেষ তদন্তকাৰী দলে তদন্ত কৰাৰ বাবে উচ্চতম ন্যায়ালয়ক আবেদন দাখিল কৰা হৈছে। প্ৰতিবাদৰ সময়ত কেনেকৈ আইন-শৃংখলা পৰিস্থিতি উদ্ভৱ হ'ল, এই ঘটনা এছ আই টিৰ দ্বাৰা অনুসন্ধান কৰিবলৈ শশাংক শেখৰ ঝা নামৰ এজন ব্যক্তিয়ে উচ্চতম ন্যায়ালয়ত আবেদন জনায়।

ইফালে কালি সীমান্ত সুৰক্ষা বাহিনীৰ ইষ্টাৰ্ন কামাণ্ডৰ অতিৰিক্ত সঞ্চালক প্ৰধান ৰবি গান্ধীয়ে মুৰ্ছিদাবাদৰ ছমশ্বেৰগঞ্জ অঞ্চল পৰিদৰ্শন কৰে। তেওঁ পশ্চিমবংগৰ আৰক্ষী সঞ্চালক প্ৰধান ৰাজীৱ কুমাৰ আৰু দক্ষিণ বংগৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান সুপ্ৰতীম সৰকাৰৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত জংগীপুৰ আৰক্ষী জিলাৰ জ্যেষ্ঠ আৰক্ষী বিষয়াৰ লগতে পশ্চিমবংগৰ অন্যান্য জিলাৰ জ্যেষ্ঠ আৰক্ষী বিষয়াসকল উপস্থিত থাকে। বৈঠকৰ অন্তত এ ডি জিয়ে কয়, যে বি এছ এফ আৰু আৰক্ষীয়ে যৌথভাৱে মুৰ্ছিদাবাদৰ সংঘাতজৰ্জৰ অঞ্চলসমূহত শান্তি-শৃংখলা বজাই ৰাখিবলৈ কাম কৰিব।

আনহাতে মুৰ্ছিদাবাদৰ সেই অঞ্চলসমূহৰ বৃহৎ সংখ্যক লোকে মালদাহ জিলাৰ বৈষ্ণৱ নগৰৰ সাহায্য শিবিৰত আছে। কেন্দ্ৰীয় শিক্ষাৰ ৰাজ্য মন্ত্ৰী তথা বিজেপিৰ পশ্চিমবংগৰ ৰাজ্যিক সভাপতি সুকান্ত মজুমদাৰে সাহায্য শিবিৰত থকা লোকসকলক সাক্ষাৎ কৰে। তেওঁ মুৰ্ছিদাবাদৰ সমগ্ৰ ঘটনাৰ বাবে ৰাজ্য চৰকাৰক জগৰীয়া কৰি কয়, যে মুৰ্ছিদাবাদৰ হিংসাজৰ্জৰ অঞ্চলসমূহত সীমান্ত সুৰক্ষা বাহিনীৰ নিয়োগৰ সময়সীমা বৃদ্ধিৰ বাবে উচ্চ ন্যায়ালয়ত আবেদন জনাব।

সমৰগঞ্জ, ছুতি, জংগীপুৰৰ লগতে জিলাখনৰ বিভিন্ন অঞ্চলত যোৱা সপ্তাহত ৱক্‌ফ সংশোধনী আইন ২০২৫ৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা হয়। প্ৰতিবাদকাৰীয়ে আৰক্ষীৰ জোৱানক আক্ৰমণ কৰাৰ লগতে বাহনসমূহৰো ক্ষতি সাধন কৰে। উত্তৰ কলকাতাৰ কাছিপুৰ অঞ্চলতো ৱক্‌ফ সংশোধনী আইন ২০২৫ৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি ৯ জন আৰক্ষীক আক্ৰমণ কৰি আৰক্ষীৰ বাহনত অগ্নিসংযোগ কৰে। বাতৰি যুগুতোৱাৰ পৰলৈকে আৰক্ষীয়ে ঘটনা সন্দৰ্ভত কোনো লোকক গ্ৰেপ্তাৰ কৰা নাই।

বিজেপিয়ে মুৰ্ছিদাবাদত সংঘটিত হোৱা ঘটনাৰ বাবে পশ্চিমবংগৰ ৰাজ্যপাল চি ভি আনন্দ বসুক হস্তক্ষেপ কৰিবলৈ আহ্বান জনায়। ৰাজ্যপালগৰাকীলৈ লিখা এখন পত্ৰত ৰাজ্যিক সভাপতি ড০ সুকান্ত মজুমদাৰে ঘটনা সন্দৰ্ভত বিতংভাৱে উল্লেখ কৰি তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। শ্ৰীমজুমদাৰে কয়, যে ঘটনাটো কেৱল আইন শৃংখলাৰ বিষয় নহয় বৰঞ্চ মানৱীয় সংকটহে।

ooooo

লক্ষ্ণৌৰ লোকবন্ধু হাস্পতালত কালি নিশা এটা বিধ্বংসী অগ্নিকাণ্ডৰ ফলত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। হাস্পতালখনৰ দ্বিতীয় মহলাত আকস্মিকভাৱে জুই লগাত ৰোগী আৰু কৰ্মচাৰীসকলৰ মাজত হুৰাদুৰা লাগে। ঘটনাৰ খবৰ পোৱা মাত্ৰকে অগ্নিনিৰ্বাপক বাহিনীৰ কেইবাখনো বাহন হাস্পতালখনত উপস্থিত হৈ জুই নিৰ্বাপণ কৰে। প্ৰশাসনৰ তৎপৰতাত সংকটজনক অৱস্থাত থকা সকলৰ লগতে ২০০ৰো অধিক ৰোগীক হাস্পতালখনৰ বাহিৰলৈ উলিয়াই অনা হয়।

নিশাতেই ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী ব্ৰজেশ পাঠক ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযানৰ প্ৰতিটো দিশ চোৱাচিতা কৰে। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথেও ঘটনাৰ বুজ লোৱাৰ লগতে প্ৰশাসনক প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ নিৰ্দেশ দিছে। উত্তৰ প্ৰদেশ চৰকাৰৰ স্বাস্থ্য বিভাগে জনোৱা অনুসৰি অগ্নিকাণ্ডৰ ঘটনাত কোনো লোক অগ্নিদগ্ধ বা হতাহত হোৱা নাই। শ্বৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি হাস্পতাল কৰ্তৃপক্ষই প্ৰকাশ কৰিছে যদিও সবিশেষ তথ্যৰ বাবে তদন্ত আৰম্ভ কৰা হৈছে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ জনপ্ৰিয় গায়িকা কেটি পেৰিকে ধৰি ছজনীয়া মহিলাৰ দলটো কঢ়িয়াই নিয়া ব্লু অৰিজিন নামৰ মহাকাশ কোম্পানীটোৰ নিউ শ্বেপাৰ্ড-থাৰ্টি-ওৱান নামৰ যানখনে সফলতাৰে উৰণ সম্পন্ন কৰে। যানখনে এই উৰণৰ পাছত পেৰাচ্যুতৰ সহায়ত মহিলা দলটোক লৈ সুকলমে পৃথিৱীলৈ ঘূৰি আহে।

উল্লেখযোগ্য যে কালি এমাজনৰ স্বত্তাধিকাৰী জেফ বেজোছৰ মহাকাশ কোম্পানী ব্লু অৰিজিনৰ এটা ৰকেটটোৱে ছজনীয়া এটা মহিলাৰ দলক লৈ পৃথিৱীৰ বায়ুমণ্ডলৰ উৰ্ধতন সীমালৈ যাত্ৰা কৰে। দলটোত থকা আন আন সদস্যসকল হৈছে টেলিভিশ্বনৰ পৰিবেশিকা গেইল কিং, ছবি প্ৰযোজক কেৰিয়েন ফ্লিন, প্ৰাক্তন নাছা মহাকাশ অভিযন্তা আইশা বৌয়ি আৰু এগৰাকী সমাজসেৱিকা আমান্দা গুয়েন। ভাৰতীয় সময় অনুসৰি কালি সন্ধিয়াৰ ভাগত পশ্চিম টেক্সাছৰ পৰা যানখন মহাকাশলৈ উৰা মাৰিছিল। ১৯৬৩ চনত ৰাছিয়াৰ মহাকাশচাৰী ভেলেন্টিনা টেৰেস্ক'ভাৰ ঐতিহাসিক একক মহাকাশ ভ্ৰমণৰ পাছত প্ৰথমবাৰৰ বাবে এটা মহিলাৰ দলে মহাকাশলৈ যাত্ৰা কৰে। যাত্ৰীসকলক পৃথিৱীপৃষ্ঠৰ পৰা এশ কিলোমিটাৰতকৈও অধিক উচ্চতালৈ অৰ্থাৎ বিমান চলাচলৰ বাবে মহাকাশৰ সীমা হিচাপে আন্তৰাষ্ট্ৰীয়ভাৱে চিহ্নিত কাৰমান সীমাৰেখাৰ উৰ্ধলৈ লৈ যোৱা হয়। যাত্ৰীসকলে প্ৰায় ১০ মিনিট সময় মহাকাশত অতিবাহিত কৰিছিল।

ooooo

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি আৰ গাভাই কয়, যে দেশৰ সংবিধানে বিভিন্ন সময়ত দেশখনক শক্তিশালী, সুস্থিৰ আৰু ঐক্যবদ্ধ কৰাৰ ভূমিকা পালন কৰি আহিছে। কালি নতুন দিল্লীৰ ড০ আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰত আয়োজিত প্ৰথম ড০ আম্বেদকাৰ সোঁৱৰণী বক্তৃতাত এই কথা প্ৰকাশ কৰে। ন্যায়াধীশগৰাকীয়ে কয়, যে বিগত বৰ্ষবোৰত দেশখনে বিভিন্ন বাহ্যিক আগ্ৰাসন আৰু আভ্যন্তৰণী অশান্তিৰ সন্মুখীন হৈছিল যদিও ই একত্ৰিত আৰু শক্তিশালী হৈ আছে। পৰৱৰ্তিত সময়ৰ প্ৰয়োজনীয়তাৰ সৈতে খাপ খোৱাবলৈ সংবিধানখন সময়ে সময়ে সংশোধন কৰা হয় বুলি তেওঁ মন্তব্য কৰে।

ooooo

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা-চি বি আইয়ে কালি গুৱাহাটীৰ ডি. বি. ষ্টক কনচালটেন্সিৰ বিত্তীয় অনিয়মত জড়িত থকাৰ অভিযোগত মহানগৰীৰ এক্সিছ বেংকৰ প্ৰাক্তন শাখা প্ৰবন্ধক পুষ্পজিৎ পুৰকায়স্থ আৰু সন্দীপ গুপ্তাক ডিব্ৰুগড়ৰ পৰা গ্ৰেপ্তাৰ কৰে। চিবিআইয়ে প্ৰকাশ কৰা অনুসৰি পুৰকায়স্থই ডি বি ষ্টকৰ হৈ অধিক ধন ঘূৰাই দিয়াৰ ভুৱা প্ৰতিশ্ৰুতিৰে জনসাধাৰণক বিনিয়োগৰ বাবে আকৰ্ষিত কৰি অবৈধভাৱে ধন উপাৰ্জন কৰিছিল। পুৰকায়স্থই মুম্বাই আৰু গুৱাহাটীৰ একাংশ বিনিয়োগকাৰীক আকৰ্ষিত কৰি এই অসাধু কাৰ্য চলাই আহিছিল। একেদৰে ডি বি ষ্টকৰ অন্যতম এজেণ্ট হিচাপে পৰিচিত সন্দীপ গুপ্তাই একেধৰণৰ ভুৱা প্ৰতিশ্ৰুতিৰে কমেও ৩৫০তকৈও অধিক গ্ৰাহকৰ পৰা ধন সংগ্ৰহ কৰিছিল। ইয়াৰ বিনিময়ত সংস্থাটোৰ পৰা তেওঁ লক্ষাধিক টকা উপাৰ্জন কৰিছিল বুলি চি বি আইৰ তদন্তত প্ৰকাশ পাইছে। উল্লেখযোগ্য যে চি বি আইয়ে ইতিমধ্যে ডি বি ষ্টকৰ স্বত্বাধিকাৰী দিপাংকৰ বৰ্মনৰ বিৰুদ্ধে দেশজুৰি ১০ হাজাৰৰো অধিক লোকক প্ৰৱঞ্চনা কৰি ৪০০ কোটিৰো অধিক ধন সংগ্ৰহ কৰাৰ অভিযোগনামা দাখিল কৰিছে বুলি সংস্থাটোৱে প্ৰকাশ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত চেন্নাই ছুপাৰ কিংছৰ পৰাজয়ৰ ধাৰাবাহিকতাৰ অৱশেষত অন্ত পৰিছে। ক্ৰমাগত ৫ খন খেলত পৰাজিত হোৱা দলটো কালি লক্ষ্ণৌ ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে ৫ উইকেটত জয়ী হয়। লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত লক্ষ্ণৌৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৬৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। অধিয়ানক ঋষভ পণ্টে সৰ্বাধিক ৬৩ ৰাণ কৰে। ৰবীন্দ্ৰ জাদেজা আৰু মাথিছা পাথিৰাণাই দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৰাচিন ৰবীন্দ্ৰ আৰু ৰশ্বিদ শেখে ৫০ ৰাণৰ অপেনিং যুটীৰে চেন্নাইক সুন্দৰ আৰম্ভণি দিয়াৰ পাছত শিৱম ডুবেই ৪৩ আৰু অধিনায়ক মহিন্দ্ৰ সিং ধোনীয়ে ২৬ ৰাণ কৰি অপৰাজিত থাকি দলৰ বিজয় সুনিশ্চিত কৰে। মহেন্দ্ৰ সিং ধোনীলৈ প্লেয়াৰ অৱ মেচৰ বঁটা আগবঢ়োৱা হয়।

প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন চণ্ডীগড়ত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। সম্প্ৰতি দুয়োটা দলেই ৬ পইণ্টকৈ লাভ কৰিছে যদিও উন্নত ৰাণ ৰেটৰ সুবাদত কলকাতা পাঞ্জাবতকৈ এটা স্থান আগুৱাই আছে।

ইপিনে চেন্নাই ছুপাৰ কিংছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদে তেওঁলোকৰ দলত এটাকৈ সালসলনি কৰিছে। চেন্নাইয়ে আঘাতপ্ৰাপ্ত ৰুতুৰাজ গাইকোৱাড়ৰ স্থানত আয়ুষ মাত্ৰেক আৰু হায়দৰাবাদে এডাম জাম্পাৰ স্থানত স্মৰণ ৰবিচন্দ্ৰনক দলত অন্তৰ্ভুক্ত কৰিছে।

ooooo

পঞ্চদশ হকী ইণ্ডিয়া ছিনিয়ৰ পুৰুষ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ ২০২৫ৰ চূড়ান্ত খেলখনত আজি মধ্যপ্ৰদেশ পাঞ্জাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন উত্তৰ প্ৰদেশৰ ঝাঁচিত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ইপিনে বিয়লি ৫ বজাত চেম্পিয়নশ্বিপৰ তৃতীয় আৰু চতুৰ্থ স্থান নিৰ্ধাৰণকাৰী খেলখনত আয়োজক উত্তৰ প্ৰদেশ মণিপুৰৰ সন্মুখীন হ'ব।

যোৱা দেওবাৰে অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন ছেমি ফাইনেলত মধ্যপ্ৰদেশে মণিপুৰক ৫-৩ গ'লত আৰু দ্বিতীয়খন ছেমি ফাইনেলত পাঞ্জাবে উত্তৰ প্ৰদেশক ৪-৩ গ'লত পৰাস্ত কৰিছিল।

০০০০০

সমাপ্ত